**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 28-05-2026 **Time :** 1340 Hrs.

***Assamese NSD Midday Bulletin***

***Headlines***

--------

১। ভাৰত আৰু চীনে সীমান্তৱৰ্তী এলেকাসমূহত শান্তি তথা স্থিৰতা বৰ্তাই ৰখাৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে।

২। চি বি এছ্ ইৰ অধীনৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ পুনৰ মূল্যায়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেংটকত আয়োজিত অনুষ্ঠানত ছিকিম আৰক্ষীক ৰাষ্ট্ৰপতিৰ সন্মানীয় পুলিচ ধবজা প্ৰদান কৰে।

৪। দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে ঈদ-উল-আজহা পালন কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত যোৱা নিশা ৰাজস্থান ৰয়েলছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৪৭ ৰাণত পৰাস্ত কৰে।

0000000

ভাৰত আৰু চীনে সীমান্তৱৰ্তী এলেকাসমূহৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰি শান্তি তথা স্থিৰতা বৰ্তাই ৰখাৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। বেইজিঙত কালি অনুষ্ঠিত ভাৰত-চীন সীমা পৰিক্ৰমা বিষয়ক পৰামৰ্শ আৰু সমন্বয় কাৰ্যব্যৱস্থাৰ ৩৫ সংখ্যক বৈঠকত সীমান্তৱৰ্তী এলেকাৰ পৰিস্থিতি পৰ্যালোচনা কৰা হয়। বৈঠকত বিদেশ মন্ত্ৰালয়ৰ পূব এছিয়াৰ বাবে থকা যুঁটীয়া সচিব সুজিত ঘোষে ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিয়ে আৰু চীনৰ বিদেশ মন্ত্ৰালয়ৰ সীমান্ত তথা মহাসাগৰ পৰিক্ৰমা বিভাগৰ সঞ্চালক প্ৰধান হ'উ য়ানছিয়ে দেশখনৰ প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বৈঠকত হোৱা আলোচনা গঠনমূলক আৰু ভৱিষ্যমুখী আছিল। দুয়োপক্ষই সীমা নিৰ্ধাৰণ, সীমান্ত ব্যৱস্থাপনা, প্ৰণালীৰ বিকাশ আৰু সীমান্ত সিপাৰৰ সহযোগিতাৰ সৈতে জড়িত বিষয়সমূহক লৈ বৈঠকত আলোচনা কৰে। মন্ত্ৰালয়ে কয় যে ভাৰতীয় পক্ষই সীমান্তৰ সিটো পাৰৰ পৰা বৈ অহা নৈ বিষয়ক বিশেষজ্ঞ পৰ্যায়ৰ সমিতিৰ পৰৱৰ্তী বৈঠক শীঘ্ৰেই অনুষ্ঠিত কৰাত গুৰুত্ব আৰোপ কৰে। বৈঠকত দুয়ো পক্ষই ২৪ সংখ্যক বিশেষ প্ৰতিনিধি আলোচনাৰ ফলাফল অনুযায়ী কূটনৈতিক আৰু সামৰিক পৰ্যায়ত নিয়মীয়াভাৱে যোগাযোগ বৰ্তাই ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে।

000000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ্ ইৰ অধীনৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ মূল্যায়ন প্ৰক্ৰিয়াৰ কেতবোৰ আঁসোৱাহ পোহৰলৈ অহাৰ পৰিপ্ৰেক্ষিতত পুনৰ মূল্যায়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি চি বি এছ্ ইৰ বিষয়াসকলৰ সৈতে হোৱা বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীপ্ৰধানে কয় যে বিষয়াসকলে প্ৰতিগৰাকী

শিক্ষাৰ্থীৰ ওজৰ-আপত্তি নিষ্পত্তিৰ দিহা কৰিব আৰু সকলো পৰ্যায়ত উত্তৰদায়িত্ব সুনিশ্চিত কৰা হ'ব। আঁসোৱাহৰ দায়িত্ব স্বীকাৰ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে এই বিষয়সমূহ দূৰ কৰা হ'ব আৰু বিষয়সমূহৰ উচিত সমাধান উলিওৱা হ'ব। তেওঁ কয় যে অন স্ক্ৰীণ মাৰ্কিং - অ' এছ এম প্ৰগতিশীল প্ৰণালী আৰু ভাৰতৰ কেইবাখনো বিশ্ববিদ্যালয় প্ৰতিষ্ঠনৰ লগতে বিশ্বৰ ভালেসংখ্যক প্ৰতিষ্ঠানে এই প্ৰণালী আঁকোৱালি লৈছে। এইবেলি চি বি এছ ইয়ে প্ৰথম বাৰৰ বাবে সমগ্ৰ দেশত অ' এছ এম প্ৰণালী প্ৰণয়ন কৰিছে আৰু এই প্ৰণালীৰ জৰিয়তে প্ৰায় ৪০ কোটিৰো অধিক পৃষ্ঠাৰ মূল্যায়ন কৰা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জনপ্ৰিয় অভিনেতা এন টি ৰামাৰাওক তেওঁৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোডীয়ে কয় যে, এন টি আৰক জনকল্যাণ আৰু সমাজৰ দৰিদ্ৰশ্ৰেণীৰ মৰ্যাদা সুনিশ্চিত কৰা সুশাসনৰ প্ৰতি থকা তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে সকলোৱে মনত ৰাখিব। চিনেমা ক্ষেত্ৰলৈ আগবঢ়াই যোৱা অন্যন্য অৱদানে এন টি আৰক সকলোৰে মনত জীয়াই ৰাখিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, এন টি আৰৰ জীৱন আৰু আদৰ্শ প্ৰেৰণাৰ উৎস হৈ ৰব।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেংটকৰ পালজোৰ ষ্টেডিয়ামত আয়োজিত অলংকৰণ পেৰেডত ছিকিম আৰক্ষীক ৰাষ্ট্ৰপতিৰ সন্মানীয় পুলিচ ধবজা প্ৰদান কৰে। ইয়াৰ লগে লগে ছিকিম এই সন্মান লাভ কৰা দেশৰ ১৫ সংখ্যক আৰু উত্তৰ-পূৰ্বাঞ্চলৰ তৃতীয়খন ৰাজ্য হিচাপে পৰিগণিত হয়। এই উপলক্ষে দিয়া ভাষণত ৰাষ্ট্ৰপতি মুৰ্মুৱে আৰক্ষীক জনসাধাৰণকেন্দ্ৰিক মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণ বিশেষকৈ মহিলা, দুখীয়া আৰু শিশুৰ প্ৰতি সংবেদনশীল হ'বলৈও আহ্বান জনায়। শ্ৰীমতী মুৰ্মুৱে কয় যে আৰক্ষী বাহিনী চাইবাৰ অপৰাধ, অনলাইন প্ৰবঞ্চনা, দীপ ফেক প্ৰযুক্তিজনিত অপৰাধৰ সন্মুখীন হ'বলৈ সাজু হৈ থকা উচিত। ছিকিম আৰক্ষীয়ে অত্যাধুনিক মাধ্যম ব্যৱহাৰ কৰি এই সমস্যাসমূহ দূৰ কৰিবলৈ সমৰ্থ হ'ব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে আইন-শৃংখলা বৰ্তাই ৰখাৰ লগতে বিভিন্ন প্ৰাকৃতিক বিপৰ্যয়ৰ ক্ষয়-ক্ষতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পালন কৰা ভূমিকাৰ বাবে ছিকিম আৰক্ষীক ভূয়সী প্ৰশংসা কৰে। ৰাষ্ট্ৰপতি পুলিছ ধবজা হৈছে ব্যতিক্ৰমী সেৱা, দৃঢ় অনুশাসন আৰু ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গাৰ স্বীকৃতি স্বৰূপে আৰক্ষী বাহিনীক প্ৰদান কৰা সৰ্বোচ্চ সন্মান।

000000000

ইৰানৰ ইছলামিক ৰিভলুউচেনেৰি গাৰ্ডে কৈছে যে, আজি পুৱা তেওঁলোকে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা শিবিৰত আক্ৰমণ চলায়। ইৰানৰ দক্ষিণ অংশত আমেৰিকাৰ বাহিনীয়ে চলোৱা শেহতীয়া আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে এই আক্ৰমণ চলোৱা হয় বুলি উল্লেখ কৰা হৈছে। ইৰানৰ সেনাবাহিনীয়ে প্ৰকাশ কৰে যে, এই শিবিৰটোৰ পৰাই বন্দৰ আববাচ বিমান বন্দৰৰ কাষৰীয়া অঞ্চলত আমেৰিকাৰ বাহিনীয়ে শেহতীয়া আক্ৰমণ চলাইছিল। ইৰানৰ সেনাবাহিনীয়ে কয় যে তেহৰানৰ এই শেহতীয়া আক্ৰমণ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে সতৰ্কবাণী হিচাপে বিবেচিত হৈছে আৰু বুজাই দিয়া হৈছে যে, দেশখনৰ কোনোধৰণৰ আগ্ৰাসনৰ ইৰানে প্ৰত্যুত্তৰ নিদিয়াকৈ নাথাকে। যোৱা নিশা ইৰানৰ এটা সামৰিক ঘাটিক লক্ষ্য কৰি আমেৰিকাৰ বাহিনীয়ে আক্ৰমণ চলাইছিল। আমেৰিকাৰ বাহিনীয়ে দাবী কৰা অনুসৰি ইৰানৰ ৪ খন আক্ৰমণকাৰী ড্ৰোন ধ্বংস কৰা

হৈছে। যোৱা নিশাৰ আক্ৰমণত ইৰানৰ বিশেষ ক্ষয়-ক্ষতি হোৱা নাই বুলি তেহৰান প্ৰশাসনে প্ৰকাশ কৰিছে।

০০০০০০০

ইৰানক আমেৰিকা যুক্তৰাষ্ট্ৰই পুনৰ আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ পিছতে তেলৰ দাম আকৌ ঊৰ্ধৰ্বমুখী হৈছে। যোৱানিশা আমেৰিকাৰ বাহিনীয়ে ইৰানৰ গুৰুত্বপূৰ্ণ বন্দৰ মহানগৰ বন্দৰ আববাচত আক্ৰমণ চলায়। ইয়াৰ পাছতে ব্ৰেণ্ট অইলৰ দাম ৩ দশমিক ৭-৫ শতাংশ বৃদ্ধি হৈ প্ৰতি বেৰেলত ৯৭ দশমিক ৮-৩ ডলাৰ হয়। একেদৰে আমেৰিকাৰ খাৰুৱা তেলতো প্ৰতি বেৰেলত ৪ শতাংশ বৃদ্ধি হৈ ৯২ দশমিক ২-২ ডলাৰ হয়। বিশ্বৰ আমদানি হোৱা সামগ্ৰিক খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ৪০ শতাংশৰো বেছি সৰবৰাহ হোৱা হৰমুজ প্ৰণালী পুনৰ খুলি দিয়াৰ বাবে চুক্তি হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি তেলৰ দাম চলিত সপ্তাহত কিছু হ্ৰাস হৈছিল।

০০০০০০০

দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে ঈদ-উল-আজহা পালন কৰা হৈছে। ঈদ উপলক্ষে পুৱাৰ ভাগত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদগাহ আৰু মছজিদসমূহত সমূহীয়া নামাজ পঢ়ে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ জামা মছজিদ, ফাটেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহত নামাজ অনুষ্ঠিত হয়। এই উপলক্ষে বিভিন্ন মছজিদৰ ইমামসকলে জনসাধাৰণক শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আৰু ভাতৃত্ববোধৰ মনোভাৱেৰে পালন কৰিবলৈ আহ্বান জনায়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঈদ উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয়, যে এই উৎসৱ  ভক্তি, ত্যাগ আৰু নিস্বাৰ্থ মনোভাৱৰ প্ৰতীক। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক মানৱ জাতিৰ বিশেষকৈ দুখীয়া নিপীড়িতসকলৰ সেৱা কৰিবলৈ অনুপ্ৰাণিত কৰে। তেওঁ লগতে নাগৰিকসকলক সমাজত মৰম, ভালপোৱা আৰু সদ্ভাৱনাৰ প্ৰসাৰৰ সংকল্প সুদৃঢ় কৰাৰ বাবে কাম কৰিবলৈ আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত এইবুলি আশা প্ৰকাশ কৰে যে এই উৎসৱে যেন সকলোৰে জীৱনলৈ শান্তি, আনন্দ আৰু সদিচ্ছাৰ বতৰা কঢ়িয়াই আনে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত এই উৎসৱে সমাজত ভাতৃত্ববোধ আৰু আনন্দৰ ভাৱনা গভীৰ কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সাফল্য আৰু সুস্বাস্থ্য কামনা কৰে।

০০০০০০০০০

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰা হৈছে। ঈদৰ নামাজৰ বাবে ঈদগাহসমূহ সজাই পৰাই তোলা হৈছে।

ৰাজ্যৰ বিভিন্ন স্থানত আজি ঈদ-উজ্-জোহা উপলক্ষে ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে পুৱা ঈদৰ নামাজ পঢ়া হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজত ভাগ লয়।

**চিৰাং, বৰপেটা, ধুবুৰী,** কোকৰাঝাৰ, শ্ৰীভূমি, দৰং, শোণিতপুৰ, নগাওঁ আদি বিভিন্ন জিলাৰ মছজিদ-ঈদগাহতো  ভালেসংখ্যক লোকে সমূহীয়া নামাজত ভাগ লয়।

**গুৱাহাটী** মহানগৰৰ মাছখোৱা ঈদগাহ ময়দানৰ লগতে অন্যান্য ঈদগাহ আৰু ময়দানত সমূহীয়া নামাজ অনুষ্ঠিত হয়।

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঈদ উপলক্ষে ইচলাম ধৰ্মাৱলম্বী লোকসকলক ওলগ জনাইছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত নিউ চণ্ডীগড়ত কালি অনুষ্ঠিত প্ৰথমখন এলিমিনেটৰ খেলত ৰাজস্থান ৰয়েলছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৪৭ ৰানত পৰাস্ত কৰে। ৰাজস্থানে নিৰ্ধাৰণ কৰি দিয়া ২৪৪ ৰানৰ বিশাল লক্ষ্য অনুসৰণ কৰি ছানৰাইজাৰ্ছে ১৯ অ'ভাৰ আৰু ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্চাৰে সৰ্বাধিক ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৮টা উইকেট হেৰুৱাই ২৪৩ ৰান কৰে। বৈভৱ সূৰ্যবংশীয়ে ১২টা অভাৰ বাউণ্ডেৰী আৰু ৫টা বাউণ্ডাৰীৰ সহায়ত মাত্ৰ ২৯টা বলত ৯৭ ৰান কৰে। সূৰ্যবংশীয়ে এই সংস্কৰণত ৬৫টা অভাৰ বাউণ্ডেৰী কোবাই এটা আই পি এল সংস্কৰণত আটাইতকৈ বেছি ছিক্স কোবাৱা ক্ৰীছ গেইলৰ অভিলেখো কালি ভংগ কৰে। বৈভৱ সূৰ্যবংশীক মেন অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিবলৈ কাইলৈ ৰাজস্থান ৰয়েলছ, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনৰ বিজয়ী দলটোৱে অহা দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া খিতাপ দখলৰ যুঁজত ৰয়েল চেলেঞ্জাৰ্ছ বাঙ্গালুৰুৰ সমুখীন হ'ব।০০০০০০০০

০০০০০০০০

**সমাপ্ত**